# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 10-03-2024

**Time :** 13-40 Hrs.

## *Assamese Midday Bulletin*

***:::::::::::::::::::::::::::::::::::***

১। নতুন দিল্লীত আজি ভাৰতে ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ সৈতে বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰিত হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশ ভ্ৰমণৰ দ্বিতীয় দিনা বাৰাণসীৰ পৰা আজমগড়লৈ যাব।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলেছৰ ডলবি থিয়েটাৰত কাইলৈ আন্তৰাষ্ট্ৰীয় চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ বঁটা **অস্কাৰ** প্ৰদান কৰা হ'ব।

৪। ৭৭ সংখ্যক ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত চাৰ্ভিছেচে গোৱাক ১-০ গলৰ ব্যৱধানত পৰাস্ত কৰি সপ্তম বাৰৰ বাবে সন্তোষ ট্ৰফী হস্তগত কৰিছে। ***আৰু***

৫। মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৰঞ্জী ট্ৰফী ক্ৰিকেটৰ ৪৮ সংখ্যক ফাইনেলত মুম্বাইয়ে আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে  ৬ টা উইকেটৰ বিনিময়ত ১৩২ ৰাণ সংগ্ৰহ কৰি খেলি আছে।

০০০০

নতুন দিল্লীত আজি ভাৰতে ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ সৈতে বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুছ গোৱেলৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰিত হয়। সভাত ভাষণ দি মন্ত্ৰী শ্ৰীগোৱেলে কয় যে এই চুক্তিৰ অধীনত ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ দেশসমূহে ভাৰতত ১০ হাজাৰ কোটি ডলাৰ ব্যয় সাপেক্ষে বিনিয়োগ কৰিব। .যাৰ ফলত বিভিন্ন খণ্ডত বহু নিয়োগৰ সুযোগ সৃষ্টি হব। আজি স্বাক্ষৰিত চুক্তিক লৈ মন্ত্ৰী গোৱেলে আশা প্ৰকাশ কৰি কয় যে, এই চুক্তিয়ে বিশ্বাসযোগ্যতা আৰু দক্ষ অংশীদাৰিত্বক প্ৰতিফলিত কৰে। মন্ত্ৰীগৰাকীয়ে এই চুক্তিত অংশ লোৱা আইচলেণ্ড, লিকটেনষ্টাইন,  নৰৱে, আৰু চুইজাৰলেণ্ডক ধন্যবাদ জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি স্বাক্ষৰিত এই চুক্তি মুক্ত, নায্য, ক্ষমতাপূৰ্ণ বাণিজ্যৰ দায়বদ্ধতাৰ প্ৰতীক বুলি উল্লেখ কৰিছে।  প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, ডিজেটল বাণিজ্য, বেংকিং আৰু বিত্তীয় সেৱা, পৰিবহন আৰু ৰচদপাতি, ঔষধ, খাদ্য প্ৰক্ৰিয়াকৰণ আৰু শক্তিখণ্ডৰ দৰে বিভিন্ন ক্ষেত্ৰত উদ্ভাৱন, গৱেষণা আৰু উন্নয়নেৰে ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ অধীনৰ দেশসমূহৰ সৈতে নতুন বাট মুকলি কৰিব। শ্ৰীমোদীয়ে লগতে কয় যে, ভাৰতে এই দেশসমূহক সম্ভৱপৰ সকলো সমৰ্থন আগবঢ়াব আৰু উদ্যোগ তথা ব্যৱসায়সমূহক সুবিধা প্ৰদান কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশ ভ্ৰমণৰ দ্বিতীয় দিনা বাৰাণসীৰ পৰা আজমগড়লৈ যাব। আজমগড়ত প্ৰধানমন্ত্ৰীগৰাকীয়ে বিমান বন্দৰ উদ্বোধন কৰাৰ সমান্তৰালকৈ ৪২ হাজাৰ কোটি টকাৰ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজমগড় জিলাৰ বিমানপথৰ সমীপত এখন ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে চুহেলদেৱ ৰাজ্যিক বিশ্ববিদ্যালয় পৰিদৰ্শন কৰিব। আজমগড়ত অসামৰিক বিমান পৰিবহন খণ্ডৰ প্ৰচাৰ কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে লক্ষ্ণৌ আৰু ৰাছীৰ লাইট হাউচ প্ৰজেক্ট উদ্বোধন কৰিব, যাৰ অধীনত আধুনিক আন্তগাঠনিৰে ২ হেজাৰৰো অধিক সুলভ মূল্যৰ ফ্লেট নিৰ্মাণ কৰা হ'ব। ইয়াৰ সমান্তৰালকৈ প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশত ১৯ হাজাৰ কোটিতকৈ অধিক টকাৰ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত নিৰ্মিত প্ৰায় ৩ হাজাৰ ৭০০ কোটি টকাৰো অধিক টকা ব্যয় সাপেক্ষ প্ৰায় ৭৪৪ টা গ্ৰাম্য পথ প্ৰকল্পও প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। ইয়াৰে উত্তৰ প্ৰদেশত ৫ হাজাৰ ৪০০ কিলোমিটাৰতকৈ অধিক পথৰ সামগ্ৰিক নিৰ্মাণৰ কাম কৰা হব। এই কাৰ্যসূচীৰ সময়তে প্ৰধানমন্ত্ৰীয়ে উত্তৰ প্ৰদেশৰ ৰেলৰে আন্তগাঠনি শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰায় ৮ হাজাৰ ২শ কোটি টকাৰ কেইবাটাও ৰেল প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। গংগা নদীৰ ওপৰত এখন ৰেল দলং, গাজীপুৰ চহৰ আৰু গাজীপুৰ ঘাটৰ পৰা তাৰিঘাটলৈ নতুন ৰেললাইন উদ্বোধন কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে প্ৰয়াগৰাজ, জৌনপুৰ আৰু ইটাৱাত কেইবাটাও নলা পৰিশোধন প্লাণ্ট আৰু অন্যান্য কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰিব।

০০০০

আইচলেণ্ডৰ বিদেশ মন্ত্ৰী বৰ্ণি বেনেডিক্সন আজি ৰাষ্ট্ৰীয় ৰাজধানীত উপস্থিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰই আইচলেণ্ডৰ বিদেশমন্ত্ৰীগৰাকীক আদৰণি জনায়। সামাজিক মাধ্যমৰ এটা পোষ্টযোগে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰা জনাইছে যে, আইচলেণ্ডৰ বিদেশ মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগৰ সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিব।

ভাৰত আৰু আইচলেণ্ডে জনসংখ্যাৰ গাঠনিৰ পাৰ্থক্য আৰু দূৰত্ব থকা স্বত্তেও দুয়োখন দেশে মূল্যবোধ আৰু পাৰস্পৰিক সহযোগিতাৰে বন্ধুত্ব গঢ়ি তুলিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যপদৰ বাবে ভাৰতৰ প্ৰাৰ্থীত্বিক ৰাজহুৱাভাৱে সমৰ্থন আগবঢ়োৱা আইচলেণ্ডেই আছিল প্ৰথমখন নৰদিক দেশ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ হাৰিয়ানাৰ গুৰুগ্ৰাম ভ্ৰমণ কৰিব। তেওঁৰ ভ্ৰমণকালত শ্ৰীমোদীয়ে দেশৰ বিভিন্ন ৰাজ্যত নিৰ্মিত হৈ থকা প্ৰায় এক লাখ কোটি টকা ব্যয় সাপেক্ষ ১১২ টা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। এই প্ৰকল্পসমূহে ৰাষ্ট্ৰীয় ঘাইপথ যোগাযোগ ব্যৱস্থা বিশেষভাৱে বিকশাই তোলাৰ লগতে দেশৰ আৰ্থসামাজিক বিকাশো বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে ৪ হেজাৰ ত্ৰশকোটি টকা ব্যয়সাপেক্ষ ৮ টা লেনযুক্ত দ্বাৰকা এক্সপ্ৰেছৱেৰ ১৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ হাৰিয়ানা খণ্ডৰো উদ্বোধন কৰিব। এই পথছোৱাৰ উন্মোচনে নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰাষ্ট্ৰীয় বিমানবন্দৰ আৰু গুৰগ্ৰাম বাইপাছৰ সৈতে প্ৰত্যক্ষ যোগাযোগ ঘটাব।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ লছ এঞ্জেলেছৰ ডলবি থিয়েটাৰত কাইলৈ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ জগতৰ সৰ্বোচ্চ বঁটা অস্কাৰ প্ৰদান কৰা হ'ব। ভাৰতীয় সময় অনুসৰি পুৱা ৪ বজাত এই বঁটা বিতৰণি অনুষ্ঠান আৰম্ভ হ'ব। এইবছৰ এই অনুষ্ঠানটো জিমি কিমেলে পৰিচালনা কৰিব। পৰিচালক ক্ৰীষ্টফাৰ নোলান্সৰ বিশ্বত তোলপাৰ লগোৱা **অপেনহেইমাৰ** ছবিখনে বিভিন্ন শিতানত সৰ্বাধিক মনোনয়ন লাভ কৰিছে। ছবি নিৰ্মাতা য়ৰ্গছ লেন্থিমছৰ **পোৰ থিংছে** এঘাৰটা মনোনয়ন লাভ কৰাৰ সমান্তৰালকৈ মাৰ্তিন স্কৰ্ছেছৰ **কিলাৰ অৱ দ্যা ফ্লাৱাৰ মুন** ছবিয়ে ১০ টা শিতানত মনোনয়ন লাভ কৰিছে। যোৱা বছৰ ভাৰতীয় ছবি **আৰ আৰ আৰ**ৰ গীত নাটু নাটুৱে সৰ্বশ্ৰেষ্ঠ মৌলিক সংগীতৰ পুৰস্কাৰ লাভ কৰিছিল আৰু গুণিত মুগাৰ তথ্য চিত্ৰ **এলিফেণ্ট হুইছপাৰাৰ্ছে** তথ্যচিত্ৰ-চুটিছবি শিতানত পুৰস্কৃত হৈছিল। এইবাৰ ভাৰতীয় মূলৰ কানাডাৰ নাগৰিক নিশা পাহুজাই পৰিচালনা কৰা ডকুমেণ্টৰী চলচ্চিত্ৰ শিতানৰ **টু কিল এ টাইগাৰ** নামৰ ছবিখনত ভাৰতীয় প্ৰশংসকসকলে বিশেষভাৱে দৃষ্টি নিবদ্ধ ৰাখিছে।

০০০০

ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি ৰুচিৰা কাম্বোজে কালি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত তাৎক্ষণিক সংস্কাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ বিষয়ত ৭৮ সংখ্যক অধিবেশনৰ সময়ত ভাৰতৰ প্ৰতিনিধিগৰাকীয়ে দীৰ্ঘদিনীয়া আলোচনাক লৈ দুখ প্ৰকাশ কৰি উল্লেখ কৰে যে, ২০০০ চনত বিশ্বৰ নেতাসকলে সহস্ৰাব্দ শীৰ্ষ সন্মিলনত ব্যাপক সংস্কাৰৰ প্ৰতিশ্ৰুতি দিয়াৰ ২৪ বছৰ পাৰ হৈ গৈছে। ভেটো ক্ষমতা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি ৰুচীৰা কাম্বোজে জোৰ দি কয় যে সংস্কাৰ প্ৰক্ৰিয়াত কোনো ধৰণৰ বাধাৰ সৃষ্টি কৰিব নালাগে। গঠনমূলক আলোচনাৰ বাবে ভেটো বিষয়টোত নমনীয়তাৰ পোষকতা কৰি তেওঁ প্ৰস্তাৱ আগবঢ়াই কয় যে পৰ্যালোচনাৰ সময়ত সিদ্ধান্ত লোৱালৈকে নতুন স্থায়ী সদস্যসকলে ভেটো প্ৰয়োগ কৰিব নালাগে।

০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

০০০০

৭৭ সংখ্যক ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত চাৰ্ভিছেচে গোৱাক ১-০ গলৰ ব্যৱধানত পৰাস্ত কৰি সপ্তম বাৰৰ বাবে সন্তোষ ট্ৰফী হস্তগত কৰিছে। অৰুণাচল প্ৰদেশৰ পাপুমপাৰে জিলাৰ গোল্ডেন জুবিলি ষ্টেডিয়ামত সন্তোষ ট্ৰফীৰ চূড়ান্ত খেলখন অনুষ্ঠিত হৈছিল। ১৫ শতকৈ অধিক ফুটবল প্ৰেমীয়ে চূড়ান্ত খেলখন উপভোগ কৰাৰ বাবে ষ্টেডিয়ামত ভীৰ কৰা পৰিলক্ষিত হয়। খেলৰ ৬৮ মিনিটতে চাৰ্ভিছেছৰ হৈ ছাফিল পি পিয়ে বিজয়সূচক একমাৰ্ত গ'লটো দিয়ে। দলটোৰ চৈয়দ বীন আব্দুল কাদেৰক প্লেয়াৰ অৱ দ্যা মেটছ্ ঘোষণা কৰা হয়।

০০০০

মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৰঞ্জী ট্ৰফী ক্ৰিকেটৰ ৪৮ সংখ্যক ফাইনেলত মুম্বাইয়ে আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ৬ টা উইকেটৰ বিনিময়ত ১৩২ ৰাণ সংগ্ৰহ কৰি খেলি আছে। ইয়াৰ পূৰ্বে টছত জিকি বিদৰ্ভই প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। মুম্বাইয়ে এতিয়ালৈকে ৪১ বাৰ আৰু বিদৰ্ভই দুবাৰ ৰঞ্জী ট্ৰফীত চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে।

০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দেলহি কেপিটেলছে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

আনহাতে, একেখন ষ্টেডিয়ামতে কালি নিশা অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে।

০০০০

সমাপ্ত